# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 30-05-2025

**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - - -***

অসমকে ধৰি উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ঠায়ে ঠায়ে স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। বিশেষকৈ গুৱাহাটী মহানগৰীত পৰহিৰে পৰা হোৱা বৰষুণৰ ফলত কৃত্ৰিম বানে জটিল ৰূপ ধাৰণ কৰিছে। ৰুক্মিণীগাঁও, চানমাৰি,  জু-ৰোড, জি এছ্ ৰোড, বেলতলাৰ ছাৰ্ভে, হাতীগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাইত কৃত্ৰিম বানৰ কবলত পৰি জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে ঠায়ে ঠায়ে জনসাধাৰণৰ যাতায়াতৰ বাবে নাৱৰ ব্যৱস্থা কৰাকে ধৰি সক্ৰিয় ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে। নেৰানেপেৰা বৃষ্টিপাতৰ ফলত খাৰঘূলিৰ চিত্ৰাচল পথত ভূমিস্খলন হয়। পাহাৰৰ ওপৰৰ পৰা খহি পৰা মাটিয়ে এটা ঘৰৰ আধা অংশ পুতি পেলায়। মহানগৰীৰ জ্যোতিনগৰৰ আকাশীপথত থকা এটা বিদ্যুতৰ খুঁটা উভালি পৰে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে দুই-তিনিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। প্ৰবল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি  উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ আশংকালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ আশংকা আছে। ইয়াৰ প্ৰভাৱত হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ আশংকা আছে বুলি বতৰ বিজ্ঞান

বিভাগে সকীয়াই দিছে।  কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তত আজি ধাৰাষাৰ বৃষ্টিপাতৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। আজি পুৱাৰে পৰা প্ৰবল বৃষ্টিপাতৰ ফলত শিলচৰৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়। ইপিনে বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ ১১ খন জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ তীখা ৰাজ্যমন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মাই আজি দুদিনীয়া কাৰ্যসূচীৰে দক্ষিণ শালমাৰা, মানকাচৰত উপস্থিত হয়। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ ফেকামৰীত দিব্যাগ লোকসকলক সঁজুলি বিতৰণ কৰাৰ লগতে হাটশিঙিমাৰীত প্ৰধানমন্ত্ৰী আয়ুষ্মাণ কাৰ্ড বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। হাটশিঙিমাৰী জিলা চিকিৎসালয়ত তেওঁ ২০ গৰাকী হিতাধিকাৰীক আয়ুষ্মাণ কাৰ্ড বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে জলজীৱন মিছনৰ প্ৰকল্পও পৰিদৰ্শন কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে এল জমিৰক নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু ন্যায় মন্ত্ৰালয়ৰ নিৰ্দেশ মৰ্মে জ্যেষ্ঠ ন্যায়াধীশ জমিৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণইক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। সেয়ে এল জমিৰক ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশৰ দায়িত্ব অৰ্পণ কৰা হয়।

ooooo

মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বৈবাহিক বিবাদৰ গোচৰসমূহ নিষ্পত্তি কৰিবলৈ প্ৰণয়ন কৰা সকলো আইন সঠিকভাৱে কাৰ্যকৰী কৰা সন্দৰ্ভত আজি বজালীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে সঞ্চালনা কৰা এই বৈঠকত আৰক্ষী, ন্যায়, সমাজকল্যাণ, পৌৰ সভা, উন্নয়ন খণ্ড আদি বিভাগৰ  মুৰববী বিষয়াসকল উপস্থিত থাকে। বৈঠকত মহিলাৰ সুৰক্ষাৰ বাবে প্ৰণয়ন কৰা আইনসমূহৰ বিষয়ে ৰাইজক সজাগ কৰা সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

ooooo

বজালী জিলা সদৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত সংবিধানৰ অমৃত মহোৎসৱ উদযাপন কৰা হয়। অমৃত মহোৎসৱ উপলক্ষে সংবিধানৰ দৰ্শন আৰু প্ৰেৰণা শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। এই বক্তৃতানুষ্ঠানত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক জ্যোতিৰাজ পাঠকে আমন্ত্ৰিত বক্তা হিচাপে মূল্যবান বক্তব্য আগবঢ়ায়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰববী অধ্যাপক মনোজ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই আলোচনা চক্ৰত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক মনজিৎ দাসে অংশগ্ৰহণ কৰে। দেশৰ সংবিধান প্ৰণয়নৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অমৃত মহোসৱ উদযাপন কৰা হয়।

ooooo

সমাপ্ত